# ইজৰাইল ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ বৈঠক

ডিচেম্বৰ 01, 2023

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে 1 ডিচেম্বৰ 2023ত ডুবাইত COP 28 শীৰ্ষ সন্মিলনৰ আঁৰত ইজৰাইল ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি মহামহিম শ্ৰীযুত আইজাক হাৰ্জগ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

দুয়োগৰাকী নেতাই অঞ্চলটোত চলি থকা ইজৰাইল - হামাছৰ সংঘাতৰ সন্দৰ্ভত মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে 7 অক্টোবৰৰ সন্ত্ৰাসবাদী আক্ৰমণত জনসাধাৰণে প্ৰাণ হেৰুৱাত শোক প্ৰকাশ কৰাৰ লগতে পণবন্দীসকলক মুকলি কৰি দিয়াক আদৰণি জনায়।

প্ৰধানমন্ত্ৰীয়ে ক্ষতিগ্ৰস্ত জনসাধাৰণৰ বাবে মানৱীয় সাহায্য অব্যাহত আৰু নিৰাপদ প্ৰদানৰ প্ৰয়োজনীয়তা পুনৰবাৰ উল্লেখ কৰে। তেওঁ দুখন ৰাষ্ট্ৰৰ সমাধান আৰু কূটনীতিৰ জৰিয়তে ইজৰাইল পেলেষ্টাইন সমস্যাৰ আগতীয়া আৰু স্থায়ী সমাধানৰ বাবে ভাৰতৰ সমৰ্থনত গুৰুত্ব আৰোপ কৰে।

ৰাষ্ট্ৰপতি হাৰ্জগে ভাৰতৰ G20 অধ্যক্ষতাৰ সফলতাত প্ৰধানমন্ত্ৰীক অভিনন্দন জনাই আৰু ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিডৰ শুভ আৰম্ভণিক আদৰণি জনায়।

**ডুবাই**
**ডিচেম্বৰ 01, 2023**